# ওড়িআ কান্দনা গীতত চিত্ৰিত নাৰীৰ মৰ্মবেদনা

ডঃ বৰ্ণালী ডেকা
অসমীয়া বিভাগ
পূব কামৰূপ মহাবিদ্যালয়
bdeka99@gmail.com

**১·০০ প্ৰস্তাৱনা**

লোকসাহিত্যৰ সকলোতকৈ লোকপ্ৰিয় বিভাগ হৈছে লোকগীত।লোক কবিয়ে কেৱল নিজৰ সমাজ, পৰিৱেশ আৰু মানুহবোৰক লৈ গীত ৰচি গৈছে। তাৰ মাজেৰে সমাজৰ সামগ্ৰীক ৰূপটি যে প্ৰকাশিত হৈছে তাৰ প্ৰতি কোনো ভ্ৰূক্ষেপ নাই। লোকগীত হৈছে অতীতৰ সাক্ষী, বৰ্তমানৰ দৃষ্টি আৰু ভৱিষ্যতৰ ৰক্ষক। এইবোৰে কৰ্মবিমুখ মানৱক যিদৰে কৰ্মতৎপৰ কৰে, সেইদৰে নিৰাশ হৃদয়ত আশাৰ সঞ্চাৰ কৰে আৰু জীয়াই থকাৰ প্ৰেৰণা দিয়ে। সমাজখনক সুস্থ-সুন্দৰ কৰি গঢ়ি তুলিবলৈ উৎসাহিত কৰে। লোকগীতবোৰে মানুহক কেৱল মানুহৰ প্ৰতি সমবেদনা প্ৰকাশ কৰাই নহয়; সমাজ-জীৱনক কলুষিত আৰু ক্লীৱ কৰা অসামাজিক কাৰকবোৰৰ প্ৰতি কটুক্তি আৰু ব্যঙ্গোক্তিও প্ৰকাশ কৰে।লোককবিৰ অন্তৰ্দৃষ্টিয়ে সমাজক স্পৰ্শ কৰে।জীৱন আৰু জগতৰ সৈতে সম্বন্ধান্বিত হৈ থকা বাবে মূল্যবোধৰ পৰিৱৰ্তন হ'লেও এইবোৰৰ ভাব সদা অক্ষুন্ন থাকে।এটি সাৰ্বকালিক মূল্যবোধ এই গীতবোৰত পৰিস্ফুট হ'লেও ই চিৰনতুন আৰু চিৰন্তন।

**২·০০ ওড়িআ লোকগীতৰ বিভাগ**

**২·০১** লোকগীত কেৱল জীৱনৰ সদৰ্থক বিশ্বাস আৰু কল্পনাৰ ৰূপ। পুৰুষানুক্ৰমে ক্ষতবিক্ষত জীৱনৰ এই ৰসাল অথচ সৰল পদবোৰ অপূৰ্ব সাহিত্যক সৌন্দৰ্যৰে উদ্‌ভাসিত হৈ উঠে।লোকগীত লোকজীৱনৰ অবিকল পৰিপ্ৰকাশ। ইয়াৰ ভাষা অতি সৰল অথচ ভাব গম্ভীৰ।শৈলী আড়ম্বৰবিহীন, কেৱল চিন্তা আৰু চেতনা সুদূৰপ্ৰসাৰী। ভাৰতবৰ্ষৰ অন্তৰ্গত ওড়িশা ৰাজ্যৰ সামাজিক জীৱনৰ মৌখিক ইতিহাস হ'ল লোকগীতবোৰ। সমগ্ৰ ওড়িআ জাতিৰ জীৱনগাথা বৰ্তমানলৈ প্ৰাপ্ত লোকগীতবোৰৰ মাজত কিদৰে বৰ্ণিত তাৰ উদাহৰণ যথেষ্ট পোৱা যায়। ওড়িআ সাহিত্যিক কুঞ্জবিহাৰী দাশদেৱে কৈছে,"লোকগীত জীৱনৰসৰ প্ৰাচুৰ্য্যৰে ভৰপূৰ।লোকসাধাৰণ কল্পনাবিলাসী নহয়,বাস্তৱতাৰ পূজাৰী। তেওঁলোকে আমৰণ বাস্তৱ জীৱনৰ সংঘৰ্ষতেই আছে, কল্পনাবিলাসত জীৱন পাৰ কৰিবলৈ সময় বা ক'ত ? বহু গীত এই সংঘৰ্ষৰ প্ৰতীকৰূপে সৃষ্টি হৈ আছে।" ( দাশ : ১৯৫৮:১১)। আকৌ চক্ৰধৰ মহাপাত্ৰই কৈছে, " যিবোৰ কবিতা এতিয়াও মুখে মুখে চলি আছে, কেতিয়াও গ্ৰন্থৰ ৰূপত পৰিচিত হোৱাৰ সূযোগ পোৱা নাই বা কোনো ব্যক্তিৰ দ্বাৰা কোনো অজ্ঞাত কোণত সৃষ্টি লাভ কৰি তাৰ বিচক্ষণতাৰ সুবাস জনসমাজৰ চুকে-কোণে প্ৰবাহিত হৈ সাৰ্বজনীন হৈ পৰিছে , সেইবোৰকেই গ্ৰাম্যগীতি বুলি অভিহিত কৰা উচিত।" (মহাপাত্ৰ: ২০০২ :০৩)। লোকগীত বা গ্ৰাম্যগীত ৰচয়িতাৰ অভিজ্ঞতা কোনো ভৌগোলিক সীমাৰ মাজত আৱদ্ধ নহলেও সংকীৰ্ণও নহয়।সকলো যুগৰ সকলো মানুহৰ একেধৰণৰ অভিজ্ঞতা ভৰপূৰ হৈ থকা বাবে ই সাৰ্বজনীন। অধ্যাপক বৈৰাগীচৰণ জেনাই কৈছে, " পল্লী জীৱনৰ সুখ-দুখ পল্লীকবিৰ অবলম্বন। সেইবোৰকে সম্বল কৰি গীত ৰচনা কৰে।....এই পল্লী-সঙ্গীতৰ ভিতৰত আমাৰ ওড়িশাৰ প্ৰকৃত ৰূপটি দেখিবলৈ পোৱা যায়।" (জেনা:১৯৭৬:২)।

**২·০২** ওড়িআ লোকগীতিকা বা গ্ৰাম্যগীত বা পল্লীগীত ওড়িআ জাতিৰ সামাজিক জীৱনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। ইয়াক বিভাজন কৰাটো বৰ সহজ কাৰ্য নহয়। পণ্ডিত সূৰ্যনাৰায়ণ দাস আৰু চক্ৰধৰ মহাপাত্ৰদেৱে লোকগীতবোৰক নাৰী কন্ঠৰ গীত, পুৰুষঙ্কৰ গীত,শিশু কন্ঠৰ গীত, উপদেশ বচন ইত্যাদি বিভিন্ন বিভাগ কৰি দেখুৱাইছে। বৃন্দাবনচন্দ্ৰ আচাৰ্যই এই গীতবোৰক আকৌ সামাজিক, শিক্ষাত্মক আৰু ধাৰ্মিক এই তিনি শ্ৰেণীত বিভাগ কৰিছে।এই বিভাগৰ ওপৰত ভিত্তি কৰি ওড়িআ লোকগীতক আলোচনাৰ সুবিধাৰ্থে এনেদৰে ভাগ কৰি দিয়া হৈছে।

(ক) কৰ্মমূলক ঃ কৃষক গীত,শগড়িআ গীত,সুআৰীডাক গীত, মইঁষিআল গীত,নাউৰিআ গীত,চকুলিআ পণ্ডা গীত ইত্যাদি
(খ) নীতি-নিয়ম সম্পৰ্কীয় ঃ প্ৰবচন, ডাকবচন,খনাবচন ইত্যাদি
(গ) ধৰ্মমূলক ঃ পৰ্ব-পৰ্বাণি আৰু ওষাগীত, ওষা মনসা ইত্যাদি
(ঘ) বুদ্ধিমূলক ঃ নাঁ দিআ, প্ৰহেলিকা, বুদ্ধিপৰীক্ষা বা প্ৰশ্নোত্তৰ আদি
(ঙ) নাৰীজীৱনমূলক ঃ দোলিগীত, কান্দনা গীত, পুচিখেলগীত, শিশুগীত ইত্যাদি
(চ) সমাজ আৰু ব্যক্তিচৰিত্ৰ সংশোধনমূলক ঃ তগতমালি
(ছ) অন্যান্য ঃ কিছুমান গাথাগীতিকা, সমৰবোলি, ঝড়াফুঙ্কা আদি

লোকসাহিত্যতেই সম্ভৱত: কৰুণ ৰসৰ প্ৰথম সাৰ্থক প্ৰয়োগ দেখিবলৈ পোৱা যায়। প্ৰতিগৰাকী নাৰীৰ হৃদয়তে প্ৰেম, দুৰ্বলতা, সপোন দেখাৰ প্ৰবণতা আছে। ভৱিষ্যতক ৰঙীন কৰাৰ আগ্ৰহ আৰু অভিলাস আছে। তৰুণ বয়সত নিজৰ সমনীয়াক মনৰ কথা ব্যক্ত কৰে আৰু কিছু আশ্বাস নাপালেও হৃদয় খুলি ক'বলৈ চেষ্টা কৰে।লোকগীতৰ উপৰোক্ত বিভাগবোৰৰ ভিতৰত সকলোতকৈ মনোৰম নাৰীজীৱনমূলক গীতৰ বিভাগটিৰ অন্তৰ্গত 'ওড়িআ কান্দনা গীত'। এই কান্দনা গীতবোৰৰ জৰিয়তে ওড়িশা ৰাজ্যৰ লোকসমাজ-সংস্কৃতি,অৰ্থনীতিৰ বিষয়ে আভাস পাব

পাৰি।আনহাতে নাৰীজীৱনমূলক গীত হিচাপে এই গীতবোৰত নাৰী জীৱনৰ প্ৰতিটো স্তৰৰ ছবি চিত্ৰিত হোৱাটো স্বভাৱিক।

**৩·০০ ওড়িআ কান্দনা গীতত নাৰীৰ মৰ্মবেদনা**

**৩·০১** নাৰী আৰু পুৰুষৰ সংমিশ্ৰণতেই সমাজ গঠিত। পৰিয়াল এটিৰ সুস্থ পৰিচালনাত কেৱল নাৰীৰহে মুখ্য ভূমিকা আছে। তেওঁ জননীয়েই হওক বা ভনীয়েই হওক বা পত্নীয়েই হওক, মুখ্যতঃ দুটি ৰূপ পৰিদৃষ্ট হয়। এটি সৃষ্টিকাৰিণী আৰু আনটি ধ্বংসকাৰিণী। দ্বিতীয়টিৰ তুলনাত প্ৰথম ৰূপটি মহীয়ান।লোকগীতবোৰ প্ৰায়ভাগ নাৰীৰ দ্বাৰাই ৰচিত,গতিকে ই নাৰী-জীৱনৰ দুখ-নিৰ্যাতনৰ কাহিনীৰে ৰসসিক্ত হৈ আছে।তথাপি লোকগীতবোৰত প্ৰকাশিত নাৰী স্নেহময়ী, মমতাময়ী আৰু সহনশীলা।পুৰুষপ্ৰধান সমাজত নাৰীৰ ভূমিকা নগণ্য হ'লেও তাৰ বাবে গীতত আক্ষেপ কৰা দেখা নাযায়। শহুৰৰ ঘৰৰ পৰা নিৰ্যাতন সহি কান্দি কান্দি মৃত্যুক আকোৱালি ল'লেও কাকো কন্দুৱাব বিচৰা দেখা নাযায়। নিজৰ দুখৰ বাবে কাকো দায়ী নকৰি,নিজৰ ভাগ্যক ধিয়াই জীৱনটো পাৰ কৰি দিব বিচৰা ওড়িআ নাৰী ভাগ্যবাদত বিশ্বাসী।নাৰীৰ বিচিত্ৰ ৰূপ এই গীতবোৰত পৰিদৃষ্ট হৈছে। নাৰীগৰাকীয়ে তাইৰ কথা বিনা কপটতাৰে বৰ্ণনা কৰি যায়। কোনোবাই গুৰুত্ব দিয়ক বা নিদিয়ক, তাইৰ প্ৰতি সহনশীল হওক বা নহওক, তাৰ বাবে অপেক্ষা নকৰে।সেয়ে সাহিত্যিক কুঞ্জবিহাৰী দাশ দেৱে কৈছে, " লোকগীতত নাৰী স্নেহময়ী, প্ৰেমময়ী,সেৱাপৰায়ণী, অতিথিবৎসলা, গৃহকৰ্মনিপুণা, কলাৱতী, স্বভাৱতঃ সাহিত্যিকা ; দাম্পত্য প্ৰেমত সেয়ে তেওঁৰ হৃদয় ঢালি দিছে । তাই অত্যাচাৰৰ প্ৰতিৰোধ কৰা নাই ;অবিচাৰত তাই অগ্নিশিখাৰ দৰে জ্বলি উঠা নাই; দুখক তাই ভাগ্যৰ এক অভিশাপ বুলি ধৰি লৈছে আৰু অশ্ৰু ঝৰ্ণাৰ দৰে বোৱাই দিছে।" (দাশ: ১৯৫৮ : ৪৬)

**৩·০২** এখন ঘৰত, এখন গাঁৱত শৈশৱ,কৈশোৰ অতিক্ৰম কৰি যৌৱনৰ দুৱাৰদলিত ভৰি দিয়াৰ লগে লগে নিজৰ কন্যা সন্তানৰ মাক-দেউতাকে বিবাহৰ বাবে ব্যস্ত হৈ পৰে। ছোৱালীজনীয়ে সৰুৰে পৰা যি পৰিবেশত ডাঙৰ-দীঘল হৈছে সেয়া তাইৰ বাবে সুখদায়ক।এই পৰিবেশ এৰি অপৰিচিত স্থানত কি অজানা মুহূৰ্ত্তই অপেক্ষা কৰি আছে তাৰ বাবে চিন্তা আৰু দুখ দুয়োটিয়ে হেচা মাৰি ধৰে। " গাউঁলী নাৰী কবিমানঙ্কৰ কোমল অন্তৰৰু অশ্ৰুবিন্দু সঙ্গে যেউঁ মুক্তামান ঝড়ি পড়িথাএ,সেই হেউছি কান্দনা গীত।"১ (দাশ: ১৯৫৮:৭৭)কান্দনা গীতবোৰত মধ্যবিত্ত ওড়িয়া পৰিবাৰৰ অন্তৰ্গত নাৰী সমাজৰ বাস্তৱ চিত্ৰ ফুটি উঠা দেখা যায়। এই গীতবোৰত মুখ্যত: দুটি পৰিয়ালৰ চিত্ৰ ৰূপায়িত হয়। দেউতাকৰ ঘৰৰ সুখ-আনন্দৰে ভৰি থকা ছবি আৰু আনখন শহুৰৰ ঘৰৰ দুখ-দৈন্যৰে ভৰা উৎপীড়ণ-নিৰ্যাতনৰ ছবি।এখন ঘৰৰ লগত নাৰী জীয়াৰী হিচাপে আৰু আনখন ঘৰৰ লগত বোৱাৰী হিচাপে সংপৃক্ত।এখন ঘৰৰ তাই আলসুৱা কন্যা; আনখন ঘৰত সকলোৰে ভাল-বেয়া বুজি পোৱা সৰ্বময়ী কৰ্তৃ ; কিন্তু তাইৰ নিজৰ সুখ-দুখ বুজিবলৈ কোনো নাথাকে।উভয় পৰিয়াল সম্পৰ্কীয় প্ৰত্যক্ষ-পৰোক্ষ অনুভূতি কিছুমান বুজিবলৈ কান্দনা গীতত বৰ্ণিত হোৱা ছবিবোৰ চোৱাৰ প্ৰয়োজন হয়।

" শামুক জনম সমুদ্ৰ কূলে
বিকা হুএ যাই চিলিকা পাৰে
বাপ ঘৰে জীঅ ন ৰহে কেহি
ৰাজজোমা হেলে পৰকু দেই
শাশু ঘৰে হোন্তি তুঠপথৰ।" (দাশ: ১৯৫৪: ৬৩)

(শামুকৰ জনম সমুদ্ৰৰ পাৰত, চিলিকা২ ৰ পাৰত ই বিক্ৰী হৈ যায়।দেউতাকৰ ঘৰত আলসুৱা জীয়াৰী চিৰজীৱন থাকিব নোৱাৰে।ৰাজকন্যা হ'লেও আনৰ বাবেই জনম, শহুৰৰ ঘৰলৈ গৈ তাই পাথৰৰ নিচিনা অতি টান আৰু সহিষ্ণু হৈ পৰে।")

**৩·০৩** বিবাহৰ সময়ত ওড়িয়া সমাজৰ নীতি-নিয়ম অনুসৰি নবৌৱেকে ননদক উপদেশ দিয়া, ভায়েকে ভনীয়েকক বিদায় বেলাত কিছুদূৰ আগবঢ়াই দিয়া,মাক-দেউতাকৰ উপদেশ আদি কথাবোৰ অত্যন্ত কৰুণভাবে কান্দনা গীতবোৰত উপস্থাপিত হৈ আহিছে। এই গীত শুনি পশুও মানুহ হৈ যায় বুলি গৱেষক চক্ৰধৰ মহাপাত্ৰই কৈছে, " ঝিঅ পহিলি পালি যিবাবেলে সানককেই অথবা ভাইনা সাথৰে ছাড়িযিবা,বাপামাআ শোকৰে অধীৰ হেবা, পড়োশী লুহ পোছিদেবা,জ্ঞাতিকুটুম্ব গ্ৰামবাসী সমস্তে সবুপ্ৰকাৰ সহানুভূতি কৰিবা,কন্যাৰ ভাউজ সদুপদেশ দেবা এবং সাঙ্গসাথীমানে ঝুৰিহেবা ঘটনা এতে ৰসাশ্ৰিত কৰি কেহি লেখি নাহান্তি। এ সবু পতু পতু আত্মাৰ কাঠিন্য তৰলিযাএ।পশু মনিষ হোইউঠে।"৩ ( মহাপাত্ৰ:১৯৫৯:১৪)। প্ৰচলিত প্ৰথা আৰু কুসংস্কাৰক যেনেদৰে সকলোৱে মূৰ পাতি লয় ইয়াত কোনোৱে একো কৰাৰ বা কোৱাৰ প্ৰয়োজন নাই। বোৱাৰীয়ে নিৰ্দিষ্ট বিচাৰকৰ সমুখত অভিযোগ দাখিল কৰি লাভ নাপায়।কেৱল কান্দে; এই কান্দোন অৰণ্য ৰোদন মাত্ৰ। সকলোৱে শুনে,কোনোৱাই চকুলো টুকে যদিও নিষ্ক্ৰিয়তা দেখুৱায়। ··"কাৰণ এই কন্দাটো এটি প্ৰথা ৰূপে প্ৰচলিত।কোনো নিৰ্দিষ্ট কাৰণ নাথাকিলেও কান্দে,নাকান্দিলে নিলাজী বুলি কোৱাৰ লাজত" ( দাস:১৯৭৪:৪৫)। জীয়াৰী বিয়া হৈ দেউতাকৰ ঘৰৰ পৰা শহুৰৰ ঘৰলৈ যোৱাৰ সময়ত কন্দাটো এক সামাজিক প্ৰথা।ইয়াৰ মাজত তাইৰ অতীত,বৰ্তমান আৰু ভৱিষ্যতৰ ছবিখনি উজলি উঠে। বিভিন্ন পৰিবেশ আৰু স্থানত কান্দোনৰ ৰূপ ভিন ভিন হয়। এই কান্দোনত শিলো গলি যায় বুলি কোৱা হয়। সেই পৰিবেশে কিছু সময়ৰ বাবে হ'লেও সকলোৰে হৃদয়ক জোকাৰি পৰিবেশ শোকাৰ্ত কৰি তোলে। কবিৰ দৰে গীত ৰচনা নকৰিলেও এই গীততেই সকলো সাহিত্যিক মৰ্যাদাই ৰূপ লাভ কৰে। প্ৰস্তাৱিত দৰাজন কইনাজনীৰ মনপচন্দৰ হয়নে নহয় সেই চিন্তাত ব্যতীত হৈ দেউতাক-মাকৰ সমুখত অভিযোগ দি কইনাই কান্দে।ক্ষোভ প্ৰকাশ কৰি গায়—

" কলামেঘ বোলি মুঁ চাহেঁ নাইঁ লো বোউ
কলাহাণ্ডি বোলি মুঁ ধুএ নাইঁ লো বোউ
পেট দৰজ কি পিঠি জাণিব লো বোউ
মোৰ দৰজ কি পৰ জাণিব লো বোউ
সকালৰ খিআ সঞ্জ হোইব লো বোউ
তোটিৰে লাগিলে মন কৰিব লো বোউ
যোউ দেশ জল যাচি ন খান্তি লো খান্তি
পিতাফল বোলি গুঞ্জিণ দেল লো খান্তি
পচা মাছ বোলি যাচি চুলিল লো খান্তি"

( ক'লা মেঘলৈ মই নাচাইছিলোঁ,ক'লা কেৰাহী বুলি মই নোধোইছিলোঁ , পেটৰ ব্যথা পিঠিয়ে কি জানিব ? মোৰ বেদনা আনে কি জানিব ?পুৱাৰ খাদ্যৰেই সন্ধ্যা হৈ যায়, ডিঙি শুকালেহে মনত পৰে হে মোৰ মা! যি ঠাইত বিশুদ্ধ পানী খুজিলেও পোৱা নাযায়, তিতাফল বুলি লতা দিয়ে, বেয়া মাছ বুলি গালি বৰ্ষণ কৰে হে প্ৰকৃতি)

**৩·০৪** ওড়িআ সমাজত পুত্ৰই যি মৰম,স্নেহ,সৌহাৰ্দ্য,অধিকাৰ পায়,কন্যাজনীৰ ভাগ্যত সাধাৰণতে সেয়া নাথাকে। তাইৰ মনৰ এনে পুঞ্জীভুত বেদনা এই পৰ্যন্ত লুকাই ৰাখে। নিজৰ ঘৰৰ লগত সম্পৰ্ক ছিন্ন কৰি অপৰিচিত ঘৰ এখনলৈ যোৱাৰ সময়ত তাইৰ অসন্তোষৰ বিস্ফোৰণ ঘটে। চোতালত নখকটা সময়ত গায়,

"পুত্ৰ হোইছি কি কাটুছ নখ
মো পাই বাজিব মঙ্গল শংখ
ডাহুক মুণ্ডৰে পাটৰ জৰী
এই বেলৰে মু যাআন্তি মৰি
মো মাতা কান্দন্তা মো না ধৰি
পুত্ৰ জন্মহোই আসন্তি ফেৰি····"

( পুত্ৰ হ'লে নখ কাটিও দিয়া,মোৰ বাবে মঙ্গল শংখ বাজিব নে ? ডাউকৰ মূৰত পাটৰ পাগুৰী, এই সময়তে মই যাও মৰি ,মোৰ মায়ে মোৰ নামলৈ কান্দিছে ; পুত্ৰ জনম লৈ মাজনী পুনৰ আহা উভতি বুলি!)

**৩·০৫** দেউতাকৰ ঘৰত থকাৰ সময়ত কন্যাৰ সকলো অৰ্ডাৰ পিতা-মাতাই সহ্য কৰি যায়। ছোৱালীক মাকৰ ঘৰত খেলি-ধূলি আৰামত ৰাখি মাকে কোনো কাম কৰিবলৈ নিদিয়ে ।এই কথা মনত পেলাই মাকজনীয়ে কান্দে। বিয়াৰ দিনা দৰা অহাৰ আগত বা পাছত এনেবোৰ বিভিন্ন পৰিৱেশৰ বৰ্ণনা কান্দনা গীতত পোৱা যায়।গা ধুৱাৰ সময়ত গায়---

" ছাড় ছাড় মোৰ মুণ্ডৰ কেশ মো মাআমানে
সখা ডাকুছন্তি খেলিযিবাকু মো মাআমানে
খেলিযিবা মোৰ হেলা উছুৰ
তইল মৰ্দ্দন কাহিঁকি কৰ
**ৰজ** হেইচি কি সজ কৰুচ
ৰুচি বসিচি কি বোধ কৰুচ
কাণি পণতৰে বান্ধি ৰখিলি
এবে সবু স্নেহ পাসোৰি দেল
খানি পণতৰু ফিটাই দেল। মো মাআমানে।"

( মূৰ মূৰৰ চুলিবোৰ এৰি দিয়া, বান্ধৱীয়ে খেলিবলৈ মাতিছে; খেলিবলৈ মোৰ দিন শেষ হ'ল।তৈলমৰ্দ্দন কিয় কৰিছা **ৰজ**ৰ ৪ বাবে কি প্ৰস্তুত হৈছা ? পাটৰ শাৰীৰ উজ্জলতা বাঢ়িছে বুলি ভাবিছা, শাৰীৰ আঁচলেৰে মোক বান্ধি ৰাখিলাছিলা । এতিয়া সকলো চেনেহ পাহৰি গ'লা। আঁচলখনিৰ পৰা মুকলি কৰি দিলা।হে মোৰ মা!)

**৩·০৬** দৰা অহাৰ খবৰ শুনি কইনাজনীক আৰু কোনে পায়, শোক-দুখত উঠলি উঠে অন্তৰ ? অত্যাচাৰী কংসৰ কথা মনত পেলাই বাস্তৱতো তেনে তাইৰ জীৱনত হ'ব বুলি শংকা প্ৰকাশ কৰি গায়,

"·· মথুৰা দেশৰু আনিল ডাকি মো বাপা
সাজি আসিছন্তি ৰত্ন পালিঙ্কি
ৰত্ন পালিঙ্কিৰে কংস অসুৰ
আসি জুৰকলা মথুৰা পুৰ··" মো বাপা

( ···মথুৰা দেশৰপৰা মাতি আনিলা হে মোৰ দেউতা, ৰত্নৰ পালেং সজাইছা,ৰত্নৰ পালেঙত কংস অসুৰে আহি মথুৰাপৰী জুৰ কৰিলে হে মোৰ দেউতা··।")

**৩·০৭** হোমৰ গুৰিলৈ নিয়াৰ সময়কণত তাইৰ মনলৈ আহে যে,এয়াই তাইৰ শেষ লক্ষ্য। তাইৰ কল্পনাৰ মানুহজন এইজন নহয়। তেতিয়াই সকলো বাধা-বন্ধন পাহৰি ভায়েকৰ আগত কয়,

"অমড়া গহীৰে বালুঙ্গা ঘাস হে ভাই
ছালি যাইথিল কংসৰ দেশ
কংসৰ দেশকু দউড়ি গল

গজ বোলি গধ বান্ধি আণিল·····হে ভাই”

( পৰিত্যক্ত গহীন পথত অনাহুত তৃণ হে ভাই; গৈছিলা কংসৰ দেশলৈ ,দৌৰি গৈ কংসৰ দেশৰ পৰা হাতী বুলি গাধ বান্ধি আনিলা হে মোৰ ভাই··।”)

**৩·০৮** গাঁৱৰ পৰম্পৰা অনুযায়ী স্ত্ৰী-পুৰুষ নিৰ্বিশেষে সকলোৱে বিয়াৰ ৰাতি দৰা অহাৰ পাছত হোমৰগুৰিৰ ওচৰত একত্ৰ হয়। কইনাই তেওঁলোকক দেখা মাত্ৰেই নিজৰ শোক সামৰিব নোৱাৰি গায়,

··· “তুমে ত আনন্দে যাউছ ভাসি
মো’ পিণ্ড হতাশ হেউছি বসি
জলন্তা অগ্নিকি জিঅন্তা মাছ
সেহিপৰি মোতে হেউছ ঝাসি মো মাআমানে।”

( তুমি দেখোন আনন্দত উটি গৈছা,মোৰ দেউতা হতাশ হৈছে ; জ্বলি থকা অগ্নিক জীয়াই থকা মাছ পৰিলে যি দশা হয় মোৰো এনে দশা হে মোৰ মৰমৰ মা।”)

**৩·০৯** সামাজিক ৰীতি-নীতি, কন্যাৰ অতীত-ভৱিষ্যতৰ প্ৰতি শংকা-জৰ্জৰ চিত্তৰ দুঃখৰ প্ৰকাশ কান্দনা গীতত লক্ষ্য কৰা কৰিব পাৰি। বিবাহৰ পিছত কন্যা জীৱনৰ অৱসান ঘটি বোৱাৰী জীৱনৰ আৰম্ভণি হয়। কন্যাজনীয়ে যি ক’বলগীয়া থাকে সেয়া এই সময়তেই কৈ গুছি যায়। তাই জানে যে ইয়াৰ পাছত কোনো অধিকাৰ নাথাকে প্ৰশ্ন কৰাৰ বৰঞ্চ কথা শুনিবহে লাগিব।সেয়ে তাই শেষ কথা দেউতাকক ক’ব খোজে।

“হৰিচন্দ্ৰ ৰাজা দ্বাপৰে দানী
কি তিনি ভুবন ন থিলে জিণি
মায়াৰে তপস্বী কাহু আসিলা··
···এ ৰাজসভাৰে দান মাগুচি
থুমি পঞ্চপ্ৰাণ ভুলাই অছি হো বাপা।”

( হৰিশ্চন্দ্ৰ ৰজা দ্বাপৰ যুগত দানী ব্যক্তি আছিল; কি তিনিও ভূবন জয় কৰা নাছিল,মায়াৰে তপস্বী ক’ৰপৰা আহিছিল···।এই ৰাজসভাতো দান বিচাৰিছে পঞ্চপ্ৰাণ পাহৰি··হে মোৰ দেউতা”)

**৩·১০** পুৰাণত বৰ্ণিত দানবীৰ হৰিচন্দ্ৰৰ সৈতে নিজৰ পৰিয়ালৰ জীৱনক তুলনা কৰি পৌৰাণিক জ্ঞানৰ পৰিচয় দিছে তেনে নহয়,এই পৰ্যায়ত তাই নিজৰ সূক্ষ্ম পৰ্যবেক্ষণ শক্তিৰ যথাৰ্থতা প্ৰতিপাদন কৰিছে। হস্তগ্ৰন্থি পৰাৰ পিছত নান্দীমুখী শ্ৰাদ্ধ দি অহাৰ সময়ত কন্যাই কান্দি নিজৰ ভৱিষ্যতৰ বিষয়ে সূচনা দিয়ে।

“ মো বাপা ভণ্ডাৰে কি দ্ৰব্য নাহিঁ
লক্ষে ব্ৰাহ্মণকু মু ভিক্ষা দেই
·······মাতা হোই নেলা মো হাতু ভিক্ষা
আউ কিএ মতে কৰিব ৰক্ষা ?”

( মোৰ দেউতাৰ ভঁৰালত কি বস্তু নাই ? লক্ষাধিক ব্ৰাহ্মণক ভিক্ষা দিয়া;····মাক হৈ নিলা মোৰ হাতৰ পৰা ভিক্ষা, আৰুনো কোনে মোক ৰক্ষা কৰিব পাৰে ?···)

এই সময়ত অভিমানৰ কোনো মূল্য নাই ।কিন্তু পিতা-মাতা-ভাইৰ ওচৰত অভিমান কৰাৰ এই অধিকাৰ কন্যাজনীয়ে যিকোনো মুহূৰ্ত্ততো ত্যাগ কৰিবলৈ অনিচ্ছুক।এই অধিকাৰ ত্যাগ কৰি যে তাই নিজে জীয়াই থকাৰ আশা-ভৰসা হেৰাই যাব।

**৩·১১** জীয়াৰীৰ বিদায়ৰ সময়। ইমান দিনৰ স্নেহ, মমতা দূৰ কৰি অপৰিচিত স্থানলৈ যোৱাৰ সময়ত তাইৰ হৃদয়ত দুঃখ দুগুণে উঠলি উঠে। চকুৰ আগলৈ যিগৰাকী ব্যক্তিয়েই আহে তাক লক্ষ্য কৰি কান্দি কান্দি গীত গায়। কেবল যে কইনা গৰাকীয়ে কান্দে তেনে নহয়। তাত উপস্থিত থকা সকলো ব্যক্তিৰ চকুলো বৈ যায়।কন্যাজীৱনৰ সকলোতকৈ শোকাৰ্ত্ত মুহূৰ্ত্ত এইটোৱেই।শহুৰেকৰ ঘৰত যন্ত্ৰণা পোৱাৰ আশংকাত কন্যাই কান্দে,

“ শালগ্ৰাম কীট কাটিলা পৰি
মতে ত কাটিবে সেহি সেপৰি
দাৰু সিনা সহে কৰত ধাৰলো
দূব ক সহিব কৰত ভাৰলো
ধীৰ পাণি ধাৰ পথৰ কাটেলো
বাআ পাণি সিনা মুহকু ছাটে লো
ন খাইথিলে খাআবোলি কিএ বোলিব
শোইথিলে কিএ উঠেই দেব
পিঠিকি জানিব পেটৰ বথা
পৰ কি জাণিব মো মন কথা মো বোউ··”

(শালগ্ৰামক পৰুৱাই কাটিলে, মোকে কোনেবাই কাটিব সেইদৰে ? কাঠ কাটিবলৈ কৰত ধাৰ কৰিলোঁ; সেয়া মই সযতনে ভৰাই থ’লোঁ। ধীৰে বৈ যোৱা পানীৰ ধাৰক পাথৰে কাটে, বাহি পাননৰি মুখ কোনে ধোৱে ? নাখলে খোৱা বুলি কোনে ক’ব ?শুই থাকিলে কোনে জাগাই দিব ? পিঠিয়ে কি জানিব পেটৰ বেথা, আনে কি জানিব মোৰ মনৰ বতৰা ?”)

**৩·১২** ইমানদিনে ধেমালি কৰি থকা ভাউজৰ ওচৰত বিদায়বেলাত দুখ-শোক আৰু আবেগত কান্দি কয়,

" থিৰি থিৰি পানি পথৰ কাটে
থিৰি কথা কলিজা কাটে
…………কোইলিৰ মেল আম্বতোটাৰে
আমৰি মেল ত ৰজ কোঠাৰে হে নূআবোহু।"

( দ্রুতবেগী পানীয়ে পাথৰ কটাৰ নিচিনাকৈ টান কথাই কলিজা কাটিব পাৰে; …কুলি চৰাইৰ মেল আমৰ গছত আৰু আমাৰ মেল ৰজ কোঠালীত হে নবৌ।")
শহুৰৰ ঘৰত কাৰ লগত কিদৰে চলিব লাগিব সেই সম্পৰ্কত ভাউজই (বৌ) ,মোৰ এই কেইটা কথা সদায় মনত ৰাখি চলিবা বুলি উপদেশ দিয়ে,

" টহ টহ ন হসিব গুৰস্ত আগে
সে যে দিঅৰ ভাব,
গেল হাতে মাৰিব
সে কথাকু জেমা কেভে ৰোষ নোহিব।
সে যে শাশু শ্বশুৰ
তাঙ্কু কৰিব মোৰ…।"

( ডাঙৰকৈ তোমাৰ স্বামীৰ আগত নাহাঁহিবা,তোমাৰ দেওৰে কৌতুকেৰে তোমাক মাৰিলেও সেই কথাত দোষ নধৰিবা ,তোমাৰ শাহু-শহুৰৰ মন জয় কৰি নিজৰ কৰি ল'ব পাৰিলেই তুমি সদায় আনন্দত থাকিব পাৰিবা।..)

**৩·১৩** পৰম্পৰাক্রমে ভাউজই তেওঁৰ নিজৰ ভাউজৰ পৰা এই সম্পৰ্কত যি শুনি আহিছিল সেয়া নিজৰ ননদক বিদায়ৰ বেলাত জনাই দিয়ে।ইয়াৰদ্বাৰা ওড়িয়া সমাজ ব্যৱস্থাৰ সম্পৰ্কত প্ৰত্যক্ষ জ্ঞান অৰ্জন কৰিব পাৰি।কন্যা বিদায়ৰ সময়ত নিজৰ ভাই-ভনীয়ে আধা বাটলৈ আগুৱাই থোৱা দৃশ্য নেদেখিলে বৰ্ণনা কৰা টান। কন্যাজনীয়ে কান্দনাৰ মাজেৰে কয়,

" অধা বাটকু বোলি মো ননা গলে
ঝিঅ যাউচি বোলি মেলাণি দেলেলো
ননাঙ্ক মুহকু যে চাহিলি মুহি
ননা ধইৰ্য্য ধৰি পাৰন্তি নাহিলো…।"

( আধাবাটৰ পৰা মোৰ দেউতাই মোক বিদায় দিলে, মৰমৰ জী যোৱা বুলি; তেওঁৰ কৰুণ মুখলৈ চাই দেখিলো , বিচ্ছেদৰ দুখত দেউতাই ধৈৰ্য ধৰি থাকিব পৰা নাই…)

**৩·১৪** প্ৰায়ভাগ সমাজতে শহুৰৰ ঘৰত বোৱাৰীক অকথ্য নিৰ্যাতন কৰা হৈছিল। এতিয়াও সেই পৰম্পৰাৰ পৰিসমাপ্তি ঘটা বুলি ক'ব নোৱাৰি।অতীতত ইয়াৰ শোচনীয় অৱস্থা আছিল। প্ৰতি খোজতে বোৱাৰীৰ দোষ উলিয়াবলৈ জা,ননদ, শাহু আদিয়ে বিচাৰি ফুৰিছিল।সামান্য ক্ৰুটি পালেই উগ্ৰৰূপ ধাৰণ কৰাৰ কথা আমি জানি আহিছোঁ। সেয়ে পৰৱৰ্তী সময়ত বোৱাৰীজনীয়ে মাকৰ ঘৰলৈ গ'লে অথবা পত্ৰৰ যোগেৰে নিজৰ লগত হোৱা এনে অত্যাচাৰৰ বৰ্ণনা দিয়ে,

"হঁসিলে বোলন্তি খুড়ি !দাৰী হেলাণি
কান্দিলে বোলন্তি খুড়ি !কিএ মলাণি
উঠিলে বোলন্তি খুম্ব ডেৰা হোইছি
শোইলে বোলন্তি খুড়ি! ডিঙ্কি পড়িছি।"….

(মই যদি হাঁহো, বেশ্যা বুলি মোক কয়,
মই কান্দিলে কয় কোনেবা মৰিল বুলি
থিয় হ'লে খুটা বুলি কয়
শুই থকা দেখিলে কয়, ঢেঁকিটো পৰি গ'ল, মোৰ খুড়ি!)

**৩·১৫** ওড়িশাৰ সমাজত যৌতুকজনিত নিৰ্যাতন দৈনন্দিন ঘটনা। ইয়াৰ বাবে অনেকে প্ৰাণত্যাগ কৰিবলগীয়াও হৈছে।সেয়ে দেউতাকৰ ঘৰৰ পৰা যথাযোগ্য বস্তু নাপালে বোৱাৰী হৈ কৰ্কশ ভাষাৰে কথা শুনাৰ লগতে নানা অত্যাচাৰ সহিব লগীয়া কাহিনীৰ স্পষ্ট চিত্ৰ কান্দনা গীতত পোৱা যায়,

" চউতা উপৰে নাহিঁ নণদ শাড়ি
তা' দেখি বোউ মতে পকান্তি ঝাড়ি লো
পেড়িৰে ৰঙ্গলুগা খণ্ডিএ নাহিঁ
পিন্ধিলা লুগা খণ্ডি নেলে ছড়াই লো।"

( ঘৰৰ ওপৰত ননদৰ শাৰী নেদেখি মায়ে মোক জাৰণিত বিচাৰিবলৈ দিলে, তোৰ পেৰাত(বাকচত) ৰঙীন শাৰী এডোখৰ নাই, জীজনীয়ে পিন্ধি থকা শাৰীখন পেলাই দিলোঁ বুলিলে, হে মোক !")

**৩.১৬** শহুৰৰ ঘৰত শাহু,জা,ননদ,দেওৰ,শহুৰ আদি সদস্যবোৰৰ অত্যাচাৰত নাৰীয়ে পাহৰি চলিব পাৰে; স্বামীৰ ওচৰত মন কৰিলে ক'ব পাৰে ; কিন্তু এগৰাকী নাৰীয়ে সকলোতকৈ বেছি অসহায়বোধ কৰে,যেতিয়া তাই স্বামীৰদ্বাৰা নিৰ্যাতিতা হয়।লগে লগে জীৱনৰ প্ৰতি বিতৃষ্ণা জাগে,তাইৰ মনৰ কথা ক'বলৈ তেতিয়া আৰু আন কোনো নাথাকে।সেই কথা কান্দনাৰদ্বাৰা উপলব্ধি কৰিব পাৰি,

"ঘষি দেবাকু গলে সে লগান্তি গোল বোউলো
অৰক্ষিত তোকী মোৰ ছুঅন্তা গোড় যে ,,
ফিঙ্গি যে ফোপাড়ি দ্যন্তি পহুণ্ড তল ,,
কবাট যে কিলি দ্যন্তি অন্ধাৰ ঘৰ ........."

( মালিচ কৰি দিবলৈ গ'লে গণ্ডগোল লগাই ক'ব, বদমাচ ছোৱালী, লেতেৰা হাতেৰে তোক মোৰ ভৰি চুবলৈ নিদিও ; বাৰান্দালৈ টানি নি আন্ধাৰত ৰাখি মোক দুৱাৰ বন্ধ কৰি দিয়ে।হে মোৰ মা!)

**৩.১৭** সময়ে সময়ে দেখা যায় যে,অৰ্থলোভী পিতৃয়ে ষোড়শী কন্যাক বৃদ্ধ দৰাৰ লগত বিয়া দিয়ে।তেতিয়া তৰুণী কন্যাৰ মনৰ খবৰ কোনে ৰাখে ? তিল তিলকৈ দগ্ধ হৈ নিজৰ কুমাৰীত্বক বিসৰ্জন দি নিজৰ পিতৃক নিজৰ জীয়াৰীৰ জীৱনৰ লগত খেলা কৰা বাবে অন্তৰ ঢালি অভিশাপ দিয়ে।তাই আনক নজনালেও মাকক এই বেদনা বুজাবলৈ নাপাহৰে,

" মোহৰ যেমন্ত নিশ্বাস থুব বোউলো
টঙ্কা বাৰবোড়ি অঙ্গাৰ হেব বোউলো
দান্ত নাহিঁ বুঢ়া পাকুআ পাতি ,,
বেদিৰে বসিছি আখি তৰাতি ,,
........................বুঢ়া মুণ্ডে নেই খঞ্জিলু ফুল বোউলো"

( মোৰ যেতিয়ালৈকে নিঃশ্বাস থাকিব, ষাঠি টকা ৰূপ কয়লালৈ ৰূপান্তৰিত হ'ব মোৰ মা !দাঁত নোহোৱা জীৰ্ণ বুঢ়াৰ মুখ, বুঢ়াই সুসজ্জিত ভাবে বেদীত বহিছে কটাক্ষ কৰিছে হে মোৰ মা !..)

**৩.১৮** নাৰীয়েই নাৰীৰ শত্ৰু। ভাৰতীয় সমাজব্যৱস্থা প্ৰধানতঃ পুৰুষপ্ৰধান হ'লেও নাৰীয়েহে নাৰীৰ ওপৰত অত্যাচাৰ কৰি আহিছে। শাহুৱে বোৱাৰীক,ননদে বৌৱেকৰ ওপৰত,জায়েকে জায়েকৰ ওপৰত ।পৰম্পৰাক্ৰমে তেওঁলোকেও শাহু, জা, বৌত পৰিণত হ'লে তাৰ প্ৰতিশোধ লয় নতুন বোৱাৰীজনীৰ ওপৰত। প্ৰতিশোধৰ স্পষ্ট চিত্ৰ ওড়িআ কান্দনা গীতবোৰে দাঙি ধৰে,

".. শাশু মাৰুথাএ বোহূকু
বোহূ সবাখাঈ কাহাকু মাৰিব
মাৰুথাএ চুলি মুহকু।.."

( শাহুৱে মাৰে বোৱাৰীক ,বোৱাৰীয়ে নিষিদ্ধ খাদ্য খাই কাক মাৰিব,মুখেৰে গালি বৰ্ষণহে কৰিব..।"

**৩.১৯** অন্তৰঙ্গ বান্ধৱীবোৰৰ পৰা বিদায় ল'বলৈ যোৱা মুহূৰ্তটি প্ৰকৃততে মৰ্মান্তিক,সেই দুখ কান্দনাত ৰূপ লয়,

"আহা কষি কাকুড়ি
মু ত যাউছি চাড়ি
মনৰে পকাউথিব ,ঘড়িকি ঘড়ি।
আহা সঙ্গাত সখি....।"

( আহা অলপ কাষচাপি, মইতো যাবলৈ ওলাইছোঁ সকলো এৰি;সময়ে সময়ে মনত পৰিব,হে মোৰ বান্ধৱীসকল..)
ইয়াৰ বাহিৰে তাইৰ প্ৰতিবেশী,দাদা,খুড়ী, মামা আদিৰ নাম লৈ কান্দে।

**৩.২০** আনহাতে বান্ধৱীবোৰৰ মুখত শহুৰৰ ঘৰৰ অত্যাচাৰৰ কথা শুনি শুনি বিয়াৰ পাছত যমপুৰীলৈ যোৱা বুলিয়েই ধৰি লৈ বিয়াৰ দৰা উভতাই পঠিয়াবলৈ ভায়েকক অনুৰোধ কৰি কান্দনা গীতত কয়,

নূআ অণ্ডা সূতা খিল ভউৰী মঝিআ ননা
এতিকি বেলৰে যাআন্তি মৰি ',,
আসন্তা সবাৰি যাআন্তা ফেৰি ,,।

(নতুন টাকুৰীয়ে উড়ালত চক্ৰাকাৰে ঘূৰি এই সময়তে মৰি যাও মই ; অহা বাহনখন ফিৰাই পঠিওৱা,হে মোৰ মাজু ভাই ! )

**৩.২১** অসহ্য বেদনাবোৰ বাৰীৰ পাছৰ পুখুৰীৰ পাৰত বহি চকুৰ লোতকৰ লগত বেদনাবোৰ বোৱাই দিয়ে।এই ক্ৰন্দনৰ সময়ত গছৰ ওপৰত বহি থকা কুলি চৰাইটিলৈ চকু যোৱাৰ লগে লগে নিজৰ পিতৃ গৃহলৈ মন পেলাই বহুদিনৰ পৰা তেওঁলোকক নেদেখাৰ দুখ কুলি চৰাইজনীৰ জৰিয়তে বাৰ্তা প্ৰেৰণ কৰিবলৈ কৈ সান্ত্বনা লভে,

"কোইলি লো
মোহপাইঁ উড়ি উড়ি যিবু
মো বোউ ননাকু কহি মান উদ্ধাৰিবু লো কোইলি
বোউ যেবে জন্ম কৰিথান্তা
সতে ন দেখিলে মোৰে সপনে দেখন্তালো কোইলি

কোইলি লো সপনৰে কহন্তা ননাকু
বিকল হেউছি মন আণন্ত ঝিঅকু লো কোইলি…”

( কুলি চৰাইটি ঐ, মোৰ বাবে উৰি উৰি যোৱা, মোৰ মা-দেউতাক কৈ মোক উদ্ধাৰ কৰিবা হে কুলি চৰাইজনী;মায়ে যেতিয়া জন্ম দিছিল, সঁচাকৈয়ে মোৰ বাবে সপোন দেখুৱাইছিল কুলিচৰাইজনী , তুমি সপোনত দেউতাক ক'বা মন বিকল হৈছে জীয়াৰীক লৈ আহা হে কুলি চৰাইজনী !)

**৩.২২** এনেদৰে ওড়িআ কান্দনা গীতবোৰৰ মাজেৰে নাৰী জীৱনৰ কৰুণ ব্যথা তথা নিৰ্যাতনৰ কাহিনী প্ৰকাশিত হৈ আহিছে। লোকগীতৰ বিভাগবোৰৰ ভিতৰত সকলোতকৈ হৃদয়স্পৰ্শী এই বিভাগটি সম্পূৰ্ণৰূপে কৰুণ ৰসাশ্ৰিত।প্ৰতিটো কান্দনা গীতত নাৰী জীৱনৰ অসহায়তা,নিঃসঙ্গতা আৰু ব্যাকুলতাৰ চিত্ৰ প্ৰকাশিত হোৱা দেখা যায়। লগতে গীতবোৰৰ সাহিত্যিক মূল্যক অস্বীকাৰ কৰা উচিত নহ'ব।ইয়াত সংগীতৰ মধুৰ মূৰ্ছনা, কৰুণ ৰসৰ অবাৰিত প্ৰবাহ, উপমাৰ যথাৰ্থ প্ৰয়োগ,ছন্দৰ সাৰ্থক প্ৰয়োগে এইবোৰক অপূৰ্ব ৰূপ প্ৰদান কৰিছে।

**৪.০০ সামৰণি ঃ**

ওড়িআ লোকগীতৰ ব্যাপক পৰিসৰৰ মাজত ওড়িশাৰ লোকসংস্কৃতিৰ প্ৰতিটো স্তৰৰ অনুসন্ধান কৰিব পাৰি।ওড়িশাৰ ব্যক্তি জীৱন,পাৰিবাৰিক,সামাজিক আৰু জাতীয় জীৱনৰ অন্তঃস্বৰ ওড়িআ লোকগীতত মূৰ্ত্ত।লোকগীতক পল্লীগীত,গ্ৰাম্যগীতি,গাওঁলী গীত আদি নামেৰে চিহ্নিত কৰিলেও ই হৈছে গাঁৱলীয়া জনসাধাৰণৰ প্ৰাণৰ প্ৰকৃত বাণী।কুঞ্জবিহাৰী দাশে এইবোৰক “ লোকবেদ” নাম দি যৰ্থাততা প্ৰদান কৰিছে।প্ৰাচীন কালৰে পৰা ওড়িশাৰ গাঁৱলীয়া মধ্যবিত্ত বা নিম্ন মধ্যবিত্ত পৰিয়ালৰ জীয়াৰীয়ে শহুৰৰ ঘৰলৈ বিদায় লৈ যোৱাৰ সময়ত কন্যাটিৰ কৰুণ কন্ঠ মুখৰিত হৈ উঠিছিল। সাম্প্ৰতিক কালত সভ্যতাৰ লগত খোজ মিলাই এনে পৰম্পৰাক বিদায় দিলেও কিছু নিৰ্দিষ্ট জাতিপৰ মাজত ইয়াৰ অৱশেষ লক্ষ্য কৰিব পাৰি।এনে কান্দনা গীতবোৰ মুখ্যত: দু:খ-বেদনাৰ গীতিকা হ'লেও গীতবোৰত নিহিত অন্তৰ্বেদনাৰ ছবিখনিৰ প্ৰকৃত ৰূপ অনুভূত তেতিয়াহে হয় ,যেতিয়া সেই দুখ-বেদনা নিজৰ বুলি ভবা হয়।তথাপি কৰুণতাৰ নিবিড় তথা বাস্তৱ স্পৰ্শ অনুভৱ কৰিব পাৰি।

তথ্যসূত্ৰ ঃ

(১) গাঁৱলীয়া নাৰী কবিসকলৰ কোমল অন্তৰৰ অশ্ৰুবিন্দুৰ লগত যি মুকুতা সৰি পৰে সেইবোৰে হৈছে কান্দনা গীত।
(২) চিলিকা – ওড়িশাৰ দক্ষিণ উপকূলৰ প্ৰসিদ্ধ লৱণাক্ত হ্ৰদ।
(৩) “জীয়াৰীয়ে প্ৰথমবাৰলৈ যোৱাৰ সময়ত ককায়েক অথবা ভায়েকৰ বন্ধুৰে থৈ অহা ,মাক-দেউতাক শোকত অধীৰ হোৱা, প্ৰতিবেশীসেকলে চকুলো মচি দিয়া, জ্ঞাতি-কুটুম্বৰ লগতে গাঁওবাসীয়েও সকলো প্ৰকাৰৰ সহানুভূতি দেখুওৱা, কইনাৰ নবৌৱেকে সদুপদেশ দিয়া, নিজৰ বান্ধৱীবোৰে দুখী হোৱা ঘটনা ইমান ৰসক আশ্ৰয় কৰি ক'তো লেখা নহয়।এই সকলোবোৰ পঢ়িলে আত্মাৰ অন্তৰালৰ কাঠিন্যও কোমলি যায়।পশু মানৱলৈ ৰূপান্তৰিত হয়।”
(৪) ৰজ ঋতুশ্ৰাৱ ; ওড়িশাৰ ৰজপৰ্ব বা মিথুন সংক্ৰান্তি তিনিদিনীয়া উৎসৱ, ইয়াৰ দ্বিতীয় দিনৰ পৰা মিথুনৰ সৌৰ মাহ আৰম্ভ হয় বুলি ধৰে। তেতিয়াৰ পৰা বৰষুণ বতৰ আৰম্ভ হয়।

**তথ্যদাতা ঃ**

(১) দেৱী অৰ্চনা দাস, ৪০, বালেশ্বৰ
(২) অচ্যুতানন্দ সাহু, ৭২,বেগমপুৰ,ৰেমুণা
(৩) প্ৰদীপ কুমাৰ ৰথ, ৬৮, পুৰী
(৪) লক্ষী ৰাউত,৫২, বলৰামগড়

**গ্ৰন্থপঞ্জী ঃ**


(১) পল্লীগীতি সঞ্চয়ন কুঞ্জবিহাৰী দাস, ৩য় ভাগ, উদয়শ্ৰী,কটক,১৯৭৪
(২) ওড়িআ লোকসাহিত্য ও লোকসংস্কৃতি কৃষ্ণচন্দ্ৰ প্ৰধান ,বিদ্যাপুৰী,কটক,২০১৭
(৩) ওড়িয়া লোকগাথাৰ পৰিসৰ ও প্ৰকৃতি-সাহিত্য স্মান শ্যামসুন্দৰ মহাপাত্ৰ,ওড়িশা বুক ষ্টোৰ,কটক,১ম প্ৰকাশ,১৯৯১
(৪) উৎকল গাউঁলী গীত চক্ৰধৰ মহাপাত্ৰ, ১ম সং,তেলেঙ্গা বজাৰ,কটক,১৯৫৯
(৫) ওড়িআ সাহিত্যৰ সংক্ষিপ্ত পৰিচয় বৃন্দাবন চন্দ্ৰ আচাৰ্য্য,১ম প্ৰকাশ,১৯৭৭, গ্ৰন্থমন্দিৰ,কটক
(৬) ওড়িআ সাহিত্য ও সমালোচনাৰ বিকাশধাৰা বৈৰাগীচৰণ জেনা,১ম প্ৰকাশ,বিজয় বুক ষ্টোৰ,ব্ৰহ্মপুৰ,১৯৭৬
(৭) ওড়িআ গ্ৰাম্যগীত চক্ৰধৰ মহাপাত্ৰ, ওড়িশা সাহিত্য একাডেমী, ভুৱনেশ্বৰ,১৯৯৮
(৮) ওড়িআ লোকগীত ও কাহাণী কুঞ্জবিহাৰী দাশ,১ম সং., ১৯৫৮,ওড়িশা গৱেষণা পৰিষদ,বিশ্বভাৰতী,শান্তিনিকেতন
(৯) ওড়িআ লোকজীৱন ও লোকসাহিত্য চৌধুৰী অজয় প্ৰধান,দিলীপ স্বাইঁ, চিত্ৰোৎপলা পাব্লিকেচন,কটক,১৯৯৬
(১০)অজন্তা ওড়িআ অভিধান(সং) ক্ষমেশ্বৰ ৰথ,অজন্তা প্ৰকাশন,দিল্লী,২০০৩